**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL BULLETIN***

**::::::::::::::::::::::::::::::::::::::**

**<u>Headlines</u>**

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। ৰঙৰ উৎসৱ ফাঁকুৱা উপলক্ষে ৰাজ্যজুৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ভিন্ন ৰঙী আবিৰেৰে ৰাজ্যৰ বজাৰসমূহ ভৰি পৰাৰ সমান্তৰলাভাৱে সত্ৰ তথা মন্দিৰসমূহত দৌল উৎসৱ উলহ-মালহেৰে পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বটদ্ৰৱা থানতো কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌলযাত্ৰা মহোৎসৱ অনুষ্ঠিত হৈছে। কাইলৈ থানখনত গোঁসাই ফুৰোৱা উৎসৱৰ আয়োজন কৰা হৈছে।

ইফালে সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীতো ৰঙৰ উৎসৱ ফাকুৱা ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে। জিলাখনৰ গড়মুৰ, দক্ষিণ পাট, চামগুৰি, বেঙেনাআটি আদি সত্ৰত উলহ-মালহেৰে ফলগোৎসৱ পালন কৰাৰ বাতৰি আমালৈ আহিছে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিনলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে কাইলৈৰ পৰা মনোনয়ন দাখিলৰ বাবে তৎপৰতা পৰিলক্ষিত হ'ব। দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে নিৰ্বাচনী কাৰ্যালয় মাজতে দুটা দিন বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত মনোনয়ন দাখিল কৰিব পৰা হোৱা নাছিল বাবে কাইলৈৰ পৰা এই প্ৰক্ৰিয়াই গতি লাভ কৰিব। উল্লেখযোগ্য যে, ২৭ মাৰ্চ প্ৰথম পৰ্যায়ৰ মনোনয়ন দাখিলৰ অন্তিম দিন আৰু ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ বুলি ঘোষণা কৰা হৈছে। অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন হ'ব। কাইলৈ ৰাজ্যত শাসনাধিস্থিত বিজেপি মিত্ৰজোঁটৰ লগতে কংগ্ৰেছ আৰু অন্যান্য দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ কথা। বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে অহা দুদিনত দলটোৰ ৫ গৰাকী প্ৰাৰ্থীয়ে নিজ নিজ সদৰত মনোনয়নপত্ৰ দাখিল কৰিব। কাইলৈ ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱাল আৰু লখিমপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদান বৰুৱাই মনোনয়ন দাখিল কৰিব। পৰহিলৈ অৰ্থাৎ ২৭ মাৰ্চত যোৰহাটৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ, কাজিৰঙাৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাচা আৰু তেজপুৰ সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ দত্তই জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰিব। প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও দলীয় কৰ্ম-কৰ্তা উপস্থিত থাকিব। আনহাতে মুখ্যমন্ত্ৰীয়ে আজি নিশা

ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি তথা তেজপুৰ সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ দত্তৰ সৈতে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা।

একেদৰে কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও কাইলৈৰ পৰা মনোনয়ন দাখিল কৰিব। কাইলৈ যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে মনোনয়ন দাখিল কৰিব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকিব। আনহাতে কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়েও কাইলৈ মনোনয়ন দাখিল কৰিব। পৰহিলৈ লখিমপুৰৰ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাথী লুৰিনজ্যোতি গগৈয়েও মনোনয়ন দাখিল কৰাৰ কথা। আটাইকেইগৰাকী প্ৰাৰ্থীৰে মনোনয়ন দাখিলৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা উপস্থিত থাকিব।

০০০০০

লখিমপুৰত অহা ২৯ মাৰ্চৰ পৰা চুতীয়া সাংস্কৃতিক আৰু জনগোষ্ঠীয় সমাৰোহৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে জনগোষ্ঠীটোৰ লোকসকলে ব্যাপক প্ৰস্তুতি চলাইছে। সদৌ চুতীয়া জাতি সন্মিলন অসমৰ উদ্যোগত আৰু চুতীয়া উন্নয়ন পৰিষদৰ সহযোগত লখিমপুৰ নগৰৰ চুতীয়াকাৰীত তিনিদিনীয়াকৈ আয়োজিত এই সন্মিলনত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা। সমাৰোহৰ দিনকেইটাত তোৰণ উন্মোচন, শ্ৰদ্ধাঞ্জলি তৰ্পণ, খাদ্য-বস্ত্ৰ আৰু অন্যান্য সামগ্ৰিৰ প্ৰদৰ্শনী, সাংস্কৃতিক প্ৰতিযোগিতা, শোভাযাত্ৰা, মুকলি সভা আদিৰ আয়োজন কৰা হ'ব।

০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **দেশত ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ সন্দৰ্ভত ভাৰতীয় ইলেকট্ৰনিক উদ্যোগ সংঘৰ সাধাৰণ সচিব ৰাজু গোৱেলৰ** সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৭১৭১০৬ আৰু ০১১-২৩৩১৪৪৪৪ নম্বৰত ফোন কৰি **ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ**ৰ বিভিন্ন দিশ সন্দৰ্ভত সচিবগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.gov.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিব পাৰিব।

০০০০০

ঃসমাপ্তঃ